## ১৩.৩ জৈন অনেকান্তবাদ (Jaina Anekantavada) ঃ

জৈন পৰাতাত্ত্বিক মতবাদ অনুসৰি প্ৰত্যেক বস্তুৰে অসংখ্য দিশ থাকে। অনন্তধৰ্মী বস্তুৰ মাজত স্থিতিশীল আৰু পৰিৱৰ্তনশীল দুটা অংশ থাকে। উৎপত্তি, বিনাশ আৰু স্থায়িত্ব হৈছে সৎ বস্তুৰ তিনিটা প্ৰধান লক্ষণ। উৎপত্তি আৰু বিনাশে বস্তুৰ পৰিৱৰ্তনশীল দিশটো প্ৰকাশ কৰে আৰু স্থায়িত্বই বস্তুৰ স্থিতিশীল দিশটো প্ৰকাশ কৰে। বস্তুৰ দুটা ধৰ্ম থাকে। সেই ধৰ্ম দুটা হৈছে সদৰ্থক আৰু নঞৰ্থক। বস্তু এটাৰ সদৰ্থক ধৰ্ম হৈছে সেইবোৰ যিবোৰে বস্তুটোৰ ৰং, ওজন, গঠন, জাতি, ইত্যাদি প্ৰকাশ কৰে আৰু নঞৰ্থক ধৰ্ম হৈছে সেইবোৰ যিবোৰে বস্তুটো কি নহয় সেইটো প্ৰকাশ কৰে। এটা বস্তুৰ সদৰ্থক জ্ঞানৰ তুলনাত নঞৰ্থক জ্ঞান অসীম। গতিকে এজন সাধাৰণ মানুহৰ পক্ষে এটা বস্তুৰ সকলো ধৰ্মৰ বিষয়ে জ্ঞান লাভ কৰা সম্ভৱ নহয় বাবে বস্তুটোক সম্পূৰ্ণৰূপে জনাটোও সম্ভৱ নহয়। এনে জ্ঞান কেৱল জ্ঞানীসকলৰ পক্ষেহে সম্ভৱ।

প্ৰত্যেক বস্তুৰ দুই প্ৰকাৰৰ ধৰ্ম থাকে— স্বৰূপ ধৰ্ম আৰু পৰিৱৰ্তনশীল ধৰ্ম। স্বৰূপ ধৰ্মই বস্তুৰ অস্তিত্ব নিশ্চিত কৰে। উদাহৰণ স্বৰূপে চৈতন্য আত্মাৰ স্বৰূপ ধৰ্ম যিহেতু চৈতন্য অবিহনে আত্মাৰ চিন্তা কৰিব পৰা নাযায়। আকৌ বস্তুৰ যিবোৰ ধৰ্ম পৰিৱৰ্তনশীল আৰু যিবোৰে বস্তুৰ স্বৰূপ নিৰ্ধাৰণ কৰিব নোৱাৰে সেইবোৰ ধৰ্মক পৰিৱৰ্তনশীল ধৰ্ম বোলা হয়। জৈনসকলে বস্তুৰ স্বৰূপ ধৰ্মক 'গুণ' আৰু পৰিৱৰ্তনশীল ধৰ্মক 'পৰ্যায়' বোলে। অৰ্থাৎ যাৰ গুণ আৰু পৰ্যায় আছে সেয়ে বস্তু। নিত্য ধৰ্ম বা গুণ সদায় থাকে আৰু পৰিৱৰ্তনশীল বা অনিত্য ধৰ্ম সদায় নাথাকে। বস্তুৰ মাজত গুণ আৰু পৰ্যায় দুয়োটাই থাকে। গতিকে বস্তু এফালৰ পৰা স্থিতিশীল, নিত্য আৰু এক আকৌ আনফালৰ পৰা পৰিৱৰ্তনশীল, অনিত্য আৰু অনেক।

অদ্বৈত বেদান্তৰ মতে সৎবস্তু মাত্ৰেই নিত্য আৰু অপৰিণামী। যি পাৰমাৰ্থিক সৎ তাৰ কোনো পৰিৱৰ্তন নাথাকে। আকৌ যাৰ পৰিৱৰ্তন আছে তাৰ পাৰমাৰ্থিক সত্যতা নাথাকে। পৰিৱৰ্তন মিথ্যা অৰ্থাৎ অভ্যাসজনিত ভ্ৰম মাত্ৰ, ব্ৰহ্মহে একমাত্ৰ সত্য।

আকৌ বৌদ্ধ দৰ্শনৰ মতে নিত্য বস্তু বুলি একো নাই, পৰিৱৰ্তনহে সত্য। বস্তু স্বৰূপগতভাৱেই পৰিৱৰ্তনশীল। অদ্বৈত নিত্যতাবাদ আৰু বৌদ্ধ পৰিৱৰ্তনবাদ এই উভয় মতবাদেই চৰম মতবাদ। এটা মতবাদকো স্বীকাৰ কৰিব পৰা নাযায়। যিহেতু সত্তাৰ মাজত যিদৰে নিত্য অংশ থাকে সেইদৰে পৰিৱৰ্তনশীল অংশও থাকে। গুণৰ দৃষ্টিকোণৰ পৰা সত্তা যিদৰে নিত্য, পৰ্যায়ৰ দৃষ্টিকোণৰ পৰা সত্তা অনিত্য আৰু পৰিৱৰ্তনশীল। কোনো এটা বস্তুৰ ক্ষেত্ৰত যিটো আংশিকভাৱে সত্য তাক পূৰ্ণ সত্যৰূপে গ্ৰহণ কৰিলে একাত্মবাদ দোষ ঘটে। জৈন দৰ্শনৰ মতে এই সকলো দোষৰ পৰা হাত সাৰিবৰ বাবে সৎ বস্তুক অনন্ত ধৰ্মবিশিষ্ট বুলি স্বীকাৰ কৰিব লাগিব।

জৈন দাৰ্শনিকসকল একাধাৰে বহুত্ববাদী, বাস্তৱবাদী আৰু অনেকান্তবাদী। জৈন পৰাতাত্ত্বিক মতসমূহ ক্ৰমান্বয়ে (১) মন নিৰপেক্ষ বস্তুৰ অস্তিত্ব আছে, (২) দ্ৰব্য সংখ্যাত অসংখ্য আৰু সকলোৰে স্বতন্ত্ৰ অস্তিত্ব আছে, (৩) বস্তু মাত্ৰেই অনন্ত ধৰ্মবিশিষ্ট। জৈন দৰ্শনৰ মতে প্ৰত্যেক বস্তুৰে অসংখ্য সদৰ্থক আৰু নঞৰ্থক ধৰ্ম আছে। সদৰ্থক ধৰ্মানুযায়ী কোনো এটা বস্তুক এটা বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়। আকৌ নঞৰ্থক ধৰ্মৰ বাবে কোনো এটা বস্তুক স্বজাতীয় অন্য বস্তু আৰু বিজাতীয় বস্তুৰ পৰা পৃথক বুলি বোধ হয়। বস্তুবোৰ যিহেতু অনন্ত ধৰ্মবিশিষ্ট গতিকে প্ৰত্যেকটো বস্তু অত্যন্ত জটিল। বস্তু সম্পৰ্কে আংশিক জ্ঞানহে সম্ভৱ হয়— পূৰ্ণ জ্ঞান পোৱা নাযায়। কৰ্মৰ প্ৰভাৱত জীৱই বন্ধন অৱস্থা পায় আৰু বদ্ধ জীৱই বস্তু সম্পৰ্কে কেৱল আংশিক জ্ঞানহে পাব পাৰে। জীৱ যেতিয়া কৰ্ম বন্ধনৰ পৰা মুক্ত হয় তেতিয়াহে সৰ্বজ্ঞ হৈ পৰে আৰু এই সৰ্বজ্ঞ জীৱইহে কেৱল জ্ঞান পাব পাৰে। আকৌ বস্তু সম্পৰ্কে জীৱই লাভ কৰা লৌকিক জ্ঞান আংশিকহে। আংশিক জ্ঞানক জৈন পৰিভাষাত 'নয়' বোলা হয়। প্ৰতিটো 'নয়' আপেক্ষিক এটা বিশেষ দৃষ্টিকোণৰ পৰা সত্য আৰু আন এটা বিশেষ দৃষ্টিকোণৰ পৰা অসত্য। এক প্ৰকাৰৰ নয়ক পূৰ্ণ সত্যৰূপে গ্ৰহণ কৰাকে একান্তবাদ বোলা হয়। জৈন দৰ্শন অনেকান্তবাদী। এই দৰ্শনে অনেকান্তবাদী মতৰ জৰিয়তে অন্য দৰ্শনৰ মতৰ প্ৰতি যেনেকৈ শ্ৰদ্ধাশীল মনোভাৱ প্ৰকাশ কৰিছে একেদৰে নিজৰ পক্ষপাতশূন্য মনোভাৱো ব্যক্ত কৰিছে।

জৈন দৰ্শনৰ অনেকান্তবাদত আপেক্ষিকতাবাদৰ আভাস পোৱা যায়। এই দৰ্শনৰ মতে প্ৰত্যেক বস্তু অন্যান্য বস্তুৰ সাপেক্ষে। এটা বস্তুৰ জ্ঞান লাভ কৰিবলৈ হ'লে তাক অন্যান্য বস্তুৰ লগত সম্পৰ্কিত কৰিব লাগিব। লৌকিক জ্ঞান মাত্ৰেই অন্ধ ব্যক্তিৰ হস্তী জ্ঞান সদৃশ। কোনো এজন অন্ধ ব্যক্তিয়ে যদি হাতীৰ ভৰিটো স্পৰ্শ কৰে তেতিয়া তেওঁ হাতী এটা স্তম্ভৰ নিচিনা বুলি কয়। যদি হাতীৰ পিঠি স্পৰ্শ কৰে তেতিয়া হাতীক পৰ্বতৰ নিচিনা বুলি কয়; হাতীৰ কাণ স্পৰ্শ কৰিলে হাতীক কুলাৰ নিচিনা বুলি কয় ইত্যাদি। এই ধৰণে অন্ধ ব্যক্তিয়ে হাতীৰ বিভিন্ন অংগ স্পৰ্শ কৰি হাতীৰ সম্পৰ্কে

বেলেগ বেলেগ সিদ্ধান্তত উপনীত হয় আৰু প্ৰত্যেকটো সিদ্ধান্তকে সত্য বুলি দাবী কৰে। কিন্তু এই সিদ্ধান্তবোৰৰ কোনো এটা সামগ্ৰিকভাৱে সত্য সিদ্ধান্ত নহয়। এই ক্ষেত্ৰত যেতিয়া কোনো এজন সুস্থ চকুৰ ব্যক্তিয়ে হাতীৰ সম্পৰ্কে অন্ধব্যক্তিসকলে দাঙি ধৰা সিদ্ধান্তসমূহৰ ওপৰত আলোকপাত কৰে তেতিয়া এই আংশিক জ্ঞানবোৰৰ অৱসান ঘটে। ঠিক একেদৰে অল্পজ্ঞ ব্যক্তিসকলে অজ্ঞতাৰ বাবে অনন্ত ধৰ্মবিশিষ্ট বস্তু সম্পৰ্কে আগবঢ়োৱা আংশিক জ্ঞানসমূহ কেৱল জ্ঞানী ব্যক্তিৰ পূৰ্ণ জ্ঞানৰ ওচৰত অৰ্থহীন হৈ পৰে। জগতৰ বস্তুবোৰৰ বিষয়ে যি বিভিন্ন মতবাদ পোৱা যায় সেইবোৰৰ মূলতে হৈছে জাগতিক বস্তু সম্পৰ্কে একাত্মবাদী দৃষ্টিভংগী।

জৈন অনেকান্তবাদৰ যুক্তিসন্মত পৰিণতি স্বৰূপেই জৈন স্যাদবাদ পোৱা যায়। অনেকান্তবাদ আৰু স্যাদবাদৰ মাজৰ মূল পাৰ্থক্যটো হৈছে অনেকান্তবাদ পৰাতাত্ত্বিক মতবাদ আৰু স্যাদবাদ হৈছে জ্ঞানতাত্ত্বিক মতবাদ।

জৈন অনেকান্তকবাদৰ বিৰুদ্ধে বৌদ্ধ আৰু বেদান্ত দাৰ্শনিকসকলে আগবঢ়োৱা এটা অভিযোগ হৈছে এয়ে যে বস্তু মাত্ৰেই অনন্ত ধৰ্মবিশিষ্ট বুলি মত দাঙি ধৰি জৈনসকলে একেটা বস্তুতে বিৰুদ্ধ ধৰ্মৰ সমাবেশ সম্ভৱ বুলি যি মত আগবঢ়াইছে সি ন্যায় শাস্ত্ৰসন্মত নহয়। ন্যায় শাস্ত্ৰৰ নিয়ম অনুসৰি একেটা বস্তুত কেতিয়াও বিৰুদ্ধ ধৰ্মৰ সমাবেশ ঘটিব নোৱাৰে; অৰ্থাৎ এটা বস্তু যদি স্থিতিশীল হয় গতিশীল হ'ব নোৱাৰে। আকৌ যদি গতিশীল হয় স্থিতিশীল হ'ব নোৱাৰে। কিন্তু জৈন দাৰ্শনিকসকলে স্থিতিশীল আৰু গতিশীল এই দুটা বিৰুদ্ধ ধৰ্মৰ এটা বস্তুতে আশ্ৰয় সম্ভৱ বুলি মত দাঙি ধৰিছে। গতিকে বৌদ্ধ আৰু বেদান্ত দাৰ্শনিকসকলৰ মতে জৈন অনেকান্তবাদ এক যুক্তিহীন মতবাদ। অৱশ্যে এই অভিযোগৰ যুক্তিযুক্ততা কিমান দূৰ আছে সি চিন্তনীয়। যিহেতু কেৱল অল্পজ্ঞলোকৰ বাবেহে বস্তু অনন্ত ধৰ্মবিশিষ্ট— কেৱল জ্ঞানীৰ বাবে কোনো বস্তুৱেই বিৰুদ্ধধৰ্মী গুণৰ সমষ্টি নহয়।

**২০.৪ সপ্তভংগী নয়**